**প্ৰেছ বাৰ্তা নং ঃ ৩৬৯/২০২২**

## সপ্তম অসম আন্তৰ্জাতিক কৃষি-উদ্যান শস্য মেলা উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# কৃষি বিভাগক গাঁওসভাৰ আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

## ৰাজ্য চৰকাৰে প্ৰাকৃতিক কৃষিক বিকশাই তোলাৰ বাবে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৃষি বিভাগক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত গাঁওসভা অনুষ্ঠিতকৰণৰ জৰিয়তে গ্ৰামাঞ্চলৰ কৃষকসকলৰ সৈতে মত-বিনিময় কৰি ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ বিকাশৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু নীতি সম্পৰ্কত সজাগতা সৃষ্টি কৰিবলৈ কয়। আজি খানাপাৰাত সপ্তম অসম আন্তৰ্জাতিক কৃষি-উদ্যান শস্য মেলা উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰগতিশীল আৰু সম্ভাৱনাপূৰ্ণ কৃষকৰ সৈতে জ্ঞান বিনিময়ৰ মঞ্চ হিচাপে ইয়াক ব্যৱহাৰ কৰিব লাগিব। তেওঁ কয় যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডসমূহৰ বিকাশৰ বাবে কেইবাখনো আঁচনি গ্ৰহণ কৰিছে। তদুপৰি, কৃষি আৰু উদ্যান শস্য খণ্ডৰ বিকাশ সাধনৰ লক্ষ্যৰে কেইবাটাও উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছে। কিন্তু এই খণ্ডৰ বাবে প্ৰণয়ন কৰা এনে উন্নয়নৰ পদক্ষেপ বহু কৃষকে ভালদৰে জ্ঞাত নহয়। গাঁও পৰ্যায়ত এনেধৰণৰ সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিলে কৃষিৰ ক্ষেত্ৰত গ্ৰহণ কৰা উদ্ভাৱনীমূলক ব্যৱস্থাৱাজি আৰু কৃষকৰ মাজত ব্যৱধান হ্ৰাস পাব বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে তিনিদিনীয়া এই মেলাই কৃষি-উদ্যান খণ্ডত ৰাজ্যৰ সম্ভাৱনাক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাব। ইয়াৰ জৰিয়তে অৰ্থপূৰ্ণ সহযোগিতা আৰু ৰাজ্যৰ কৃষি-উদ্যান সামগ্ৰী ৰপ্তানীৰ সম্ভাৱনা অধিক বৃদ্ধি কৰাৰ দিশত পথ মুকলি কৰিব। তেওঁ লগতে কয় যে অসমে কৃষি-উদ্যান শস্যৰ ক্ষেত্ৰত বহুখিনি একক বৈশিষ্ট্য বহন কৰি আহিছে। জহা চাউল, কলা চাউল, ৰঙা চাউল আদি কৃষি উৎপাদিত সামগ্ৰীত অসাধাৰণ ঔষধি গুণ আছে বুলিও তেওঁ কয়। কাৰ্বি আংলঙৰ আডা আৰু তেজপুৰৰ লিচুৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কৃষি-উদ্যান শস্যসমূহৰ ৰাজ্যৰ বাহিৰত আৰু দেশৰ বাহিৰত বিপুল চাহিদা আছে। তেওঁ লগতে কয় যে প্ৰচুৰ পৰিমাণে ৰস আৰু সুগন্ধিৰ বাবে পৰিচিত অসমৰ নেমু ৰপ্তানিৰ এখন বৃহৎ বজাৰ আছে। তেওঁ লগতে কয় যে কৃষকসকলে ইয়াৰ জৰিয়তে যথেষ্ট পৰিমাণে লাভৱান হোৱাৰ সুযোগ আছে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিগত কিছু বছৰ ধৰি অসমত যথেষ্ট পৰিমাণে উৎপাদন হোৱা কৃষি-উদ্যান শস্য ওচৰ-চুবুৰীয়া ৰাজ্যৰ লগতে দূৰ-দূৰণিলৈও ৰপ্তানি কৰাটো সম্ভৱ হৈ উঠিছে। বৰ্তমান কৃষিজাত সামগ্ৰীসমূহ ইউৰোপীয়ান সংঘ, ইউ কে, দক্ষিণ আফ্ৰিকা, বাংলাদেশ, ভূটান, ইউ এ ই ইত্যাদি ৰাষ্ট্ৰলৈও

ৰপ্তানি কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ২০২০-২১ বৰ্ষৰ ১৪,০৪২.৩৫ মেট্ৰিকটন কৃষি উদ্যান শস্য বিভিন্ন দেশলৈ ৰপ্তানি কৰা হৈছে। ২০২২-২৩ বৰ্ষত এই পৰিসৰ অধিক বৃদ্ধি হৈছে আৰু এপ্ৰিলৰ পৰা জুলাইলৈকে মাত্ৰ চাৰি মাহৰ ভিতৰতে ৮,০৪১.২৮ মেট্ৰিকটন কৃষি-উদ্যান শস্য সামগ্ৰী ৰপ্তানি কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ ৰপ্তানিৰ সম্ভাৱনা অধিক বিকশাই তুলিবলৈ চৰকাৰে ২০১৯ চনত ৰপ্তানি আৰু লজিষ্টিক নীতিৰ অধিসূচনা জাৰি কৰিছে। এই নীতিৰ অন্যতম কেন্দ্ৰবিন্দু খণ্ড হৈছে কৃষি আৰু ইয়াৰ আনুসংগিক কৃষি সামগ্ৰী, খাদ্য সংসাধন, ফুলৰ খেতি, জৈৱিক খেতি, বাঁহৰ সামগ্ৰী, আলংকাৰিক মাছ আৰু মীন পালন, ঔষধি আৰু সুগন্ধিজাত সামগ্ৰী।

মুখ্যমন্ত্ৰীয়ে কয় যে শেহতীয়াকৈ ৰাজ্যখনে প্ৰাকৃতিক কৃষিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যৰ কৃষিত ৰাসায়নিক পদাৰ্থৰ কম ব্যৱহাৰে প্ৰাকৃতিক কৃষিৰ বিকাশত প্ৰভাৱ পেলাব বুলিও তেওঁ কয়। এই কাৰ্যসূচীৰ অধীনত মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক চাৰি বছৰত প্ৰাকৃতিক কৃষিৰ অধীনত বিশ হাজাৰ হেক্টৰ ভূমি সামৰি ১৫ খন জিলা আৰু ১৫০ টা ক্লাষ্টাৰ লোৱাৰ প্ৰস্তাৱ কৰা হৈছে। প্ৰাকৃতিক কৃষিৰ প্ৰসাৰ আৰু বৃদ্ধিৰ বাবে মাষ্টাৰ ট্ৰেইনাৰ্চ হিচাপে গঢ়ি তুলিবলগীয়া প্ৰগতিশীল কৃষকৰ লগতে ৫ খন জিলাত ক্লাষ্টাৰ চিনাক্তকৰণ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে বুলিও তেওঁ কয়।

মিলেটৰ গুৰুত্বৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰসংঘই ২০২৩ চনক আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ হিচাপে ঘোষণা কৰিছে। ইয়াৰ লগত সংগতি ৰাখি ৰাজ্যখনে ২০২২ ৰ পৰা ২০২৮ চনলৈ ৭ বছৰৰ বাবে নৱেম্বৰ মাহৰ পৰা অসমত মিলেট অভিযান আৰম্ভ কৰিছে। ইতিমধ্যে এই কাম-কাজ আৰম্ভ কৰা হৈছে। মিলেট অতি পুষ্টিকৰ বুলি উল্লেখ কৰি অসমত এই অভিযান চলোৱাৰ মূল উদ্দেশ্য হৈছে ৰাজ্যখনৰ জনসাধাৰণৰ খাদ্যত বিশেষকৈ মহিলা আৰু শিশুৰ খাদ্যত ইয়াক পৰ্যাপ্ত পৰিমাণে উপলব্ধ কৰিব পৰা যায়। গৰ্ভৱতী আৰু স্তনপাণ কৰোৱা মহিলাসকলক অধিক গুৰুত্ব দিয়া হ'ব বুলিও তেওঁ কয়। এই অভিযানৰ সময়ছোৱাত প্ৰায় ৫০ হাজাৰ হেক্টৰ ভূমি মিলেট কৃষিৰ অধীনলৈ অনাৰ সম্ভাৱনা আছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে এই মেলাৰ অংশ হিচাপে ১৮ ডিচেম্বৰত ক্ৰেতা-বিক্ৰেতাৰ মাজত মত-বিনিময়ৰ কাৰ্যসূচী ৰখা হৈছে য'ত ৰাজ্যখনত উৎপাদিত কৃষি উদ্যান শস্যসমূহ প্ৰদৰ্শন কৰা হ'ব। তেওঁ লগতে কয় যে এই মত-বিনিময়ৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিসকলক এনে এক মঞ্চ প্ৰদান কৰা হ'ব য'ত তেওঁলোকে অসমত উৎপাদিত সামগ্ৰীৰ মানদণ্ড অনুসৰি নিজৰ প্ৰয়োজনীয়তাক বিচাৰি উলিয়াব পাৰে। মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগ আৰু অসম কৃষি বিশ্ববিদ্যালয়ক এই অনুষ্ঠানৰ আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত 'ফচল' নামৰ এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। কৃষি মন্ত্ৰী অতুল বৰাইও আজিৰ এই অনুষ্ঠানত ভাষণ প্ৰদান কৰে।

কৃষি বিভাগৰ দায়িত্বত থকা অতিৰিক্তি মুখ্য সচিব আশীষ ভূটানীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত হস্ততাঁত-বস্ত্ৰশিল্প ইত্যাদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগৰ মন্ত্ৰী

জয়ন্তমল্ল বৰুৱা, শক্তিমন্ত্ৰী নন্দিতা গৰ্লোচা, সাংসদদ্বয় কুইন ওজা আৰু পৱিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক তৰংগ গগৈ, ম্যানমাৰৰ ৰাষ্ট্ৰদূত, বাংলাদেশৰ হেড অৱ মিছন, ঘানাৰ হেড অৱ মিছন, চৌদি আৰৱৰ ডেপুটি হেড অৱ মিছন, থাইলেণ্ডৰ ডেপুটি হেড অৱ মিছন, শীৰ্ষ কৃষি অৰ্থনীতিবিদ প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১৭/১২/২০২২**